3 (Sem–6/CBCS) ASM HC 2

Jawaharlal Nehru College Library
Estd.- 1964
Boko, Kamrup

**2023**

ASSAMESE

( Honours Core )

Paper : ASM–HC–6026

( অসমীয়া লিপিৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনখন বিখ্যাত প্ৰাচীন ভাৰতীয় গ্ৰন্থত 'লিপি' শব্দৰ প্ৰথম ব্যৱহাৰ পোৱা যায়?

(খ) কি প্ৰাচীন লিপিৰ পৰা ভাৰতৰ প্ৰায়বিলাক প্ৰাদেশিক লিপিৰ উদ্ভৱ হৈছিল?

(গ) সম্ৰাট অশোকৰ সময়ৰ ব্ৰাহ্মীলিপিত শিৰোৰেখাৰ ব্যৱহাৰ পোৱা যায়নে?

(ঘ) "ব্ৰাহ্মীলিপি বাওঁফালৰ পৰা সোঁফাললৈ লিখা হয়।" কথাষাৰ শুদ্ধনে?

(ঙ) কোনখন স্তম্ভলিপিত 'কামৰূপ' শব্দটোৰ প্ৰথম প্ৰয়োগ পোৱা যায়?

(চ) কোনখন লিপিক এতিয়ালৈকে আৱিষ্কৃত অসমৰ লিপিসমূহৰ ভিতৰত প্ৰাচীনতম বুলি ভবা হৈছে?

(ছ) 'অসমীয়া প্ৰাচীন লিপি' নামৰ অসমৰ লিপি-বিষয়ক গ্ৰন্থখন কাৰ ৰচনা?

(জ) 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থ অসমৰ কি শৈলীৰ লিপিত লিখা?

(ঝ) সাঁচিপাত গছৰ কোনবিধ অংশৰ পৰা তৈয়াৰ কৰা হয়?

(ঞ) মহীচুঙা কিহেৰে নিৰ্মিত?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'শাৰদা লিপি' ভাৰতৰ কোনখন প্ৰদেশৰ লিপি আছিল? কাৰ নাম অনুসৰি 'শাৰদা লিপি' নামটো হৈছে?

(খ) নাগৰী লিপি প্ৰচলিত ভাৰতৰ যি কোনো দুখন প্ৰদেশৰ নাম লিখা।

(গ) দক্ষিণ-পূব এচিয়াৰ এনে দুখন দেশৰ নাম লিখা, য'ৰ লিপি ভাৰতীয় ব্ৰাহ্মীলিপিৰ পৰা বিকশিত হৈছে।

(ঘ) নিধনপুৰ তাম্ৰশাসনখন ক'ৰ পৰা আৱিষ্কাৰ কৰা হৈছিল? এই লিপিৰ লগত কোনজন নৃপতিৰ নাম জড়িত?

(ঙ) 'গড়গঞা' লিপি নামটো কোনখন ঠাইৰ নামৰ সৈতে জড়িত? এই লিপিৰ এটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।





৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) উমাচল লিপিৰ পৰিচয় দিয়া।

(খ) পুৰণি অসমত চিয়াঁহি প্ৰস্তুতকৰণ প্ৰণালীৰ বিষয়ে লিখা।

(গ) গুপ্তযুগৰ ব্ৰাহ্মীলিপিৰ চমু পৰিচয় দিয়া।

(ঘ) সিন্ধুলিপিৰ বিষয়ে এটা টোকা লিখা।

(ঙ) কানাই বৰশীবোৱা লিপিৰ পৰিচয় দাঙি ধৰা।

(চ) অসমীয়া লিপিচৰ্চা আৰু অধ্যয়নৰ এটি ইতিহাস দাঙি ধৰা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) কুটিল লিপি আৰু গুপ্তযুগৰ ব্ৰাহ্মীলিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ হোৱা বুলি থকা মত দুটা আলোচনা কৰা।

*নাইবা*

অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰ সামৰি এটা আলোচনা আগবঢ়োৱা।

(খ) অসমত পোৱা শিলালিপিসমূহৰ বিষয়ে এটা পৰিচয়মূলক আলোচনা দাঙি ধৰা।

*নাইবা*

বৰগঙ্গা আৰু তেজপুৰৰ লিপিৰ বিষয়ে আলোচনা কৰা।

(গ) ডুবিৰ তাম্ৰশাসন আৰু হায়ুংথল তাম্ৰলিপিৰ পৰিচয় দিয়া।

*নাইবা*

বনমাল বৰ্মা আৰু বলবৰ্মাৰ তাম্ৰশাসনসমূহৰ বিভিন্ন দিশ সামৰি পৰিচয়মূলক টোকা লিখা।

(ঘ) পুৰণি অসমত ব্যৱহৃত লেখন-সামগ্ৰীবোৰৰ বিষয়ে লিখা।

*নাইবা*

অসমৰ হাতেলিখা পুথিৰ লিপিৰ বিষয়ে আলোচনা কৰা।

★★★